(ছ) কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(জ) 'ৰামনৱমী' নাটৰ পঞ্চম অংকৰ দ্বিতীয় দৰ্শনত প্ৰয়োগ হোৱা ভাষাটোৱে নাটকৰ চৰিত্ৰসমূহৰ বিশেষত্বৰ প্ৰকাশত কেনেধৰণৰ অৰিহণা যোগাইছে, আলোচনা কৰা।

★★★





M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

# 2023

## ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–6046

## ( Asomiya Bhasha-Upabhasha )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা : ১×১০=১০

(ক) *A Study on Kamrupi : A Dialect of Assamese* গ্ৰন্থখনৰ লেখক কোন?

(খ) পাতিদৰঙীয়া ভাষিক ৰূপটো কোনটো উপভাষাৰ অন্তৰ্গত?

(গ) অসমৰ যি কোনো এটা নৃগোষ্ঠীয় উপভাষাৰ নাম লিখা।

(ঘ) অসমীয়া ভাষাৰ কোনটো উপভাষাত শ্বাসাঘাত আদ্য অক্ষৰকেন্দ্ৰিক?

(ঙ) অসমৰ চাহ জনজাতিসকলৰ ভাষাটোক কি নামেৰে জনা যায়?

(চ) কামৰূপী উপভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা ?

(ছ) 'সহযাত্ৰী' গল্পটোৰ গল্পকাৰগৰাকীৰ নাম কি ?

(জ) সৌৰভ কুমাৰ চলিহাৰ প্ৰকৃত নাম কি ?

(ঝ) অসমীয়া ভাষাৰ কোনটো উপভাষাক 'দেশীভাষা' বুলি কোৱা হয় ?

(ঞ) নাগামিজ ভাষাটোক নৃগোষ্ঠীয় উপভাষা বুলিব পাৰিনে ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ড০ উপেন্দ্ৰনাথ গোস্বামীয়ে গোৱালপৰীয়া উপভাষাক কি কি ভাগত ভাগ কৰিছে ?

(খ) 'হাঁহিচম্পা' গল্পটোত প্ৰয়োগ হোৱা দুটা বহুবচনবাচক প্ৰত্যয় লিখা।

(গ) 'ত্ৰনাই কৰ্চিনা ? মোক সি নগুৰ বিৰ্ত্তন্ত কৰ্চিদে।' —কথাষাৰ তোমাৰ পাঠ্যৰ কোনটো পাঠত উল্লেখিত আৰু কোনে কৈছিল ?

(ঘ) নৃগোষ্ঠীয় উপভাষাৰ দুটা বিশেষত্ব লিখা।

(ঙ) উপভাষা অধ্যয়নৰ বাবে এগৰাকী অধ্যয়নকাৰীৰ থাকিবলগীয়া দুটা গুণ লিখা।

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) উপভাষা বুলিলে কি বুজা, উদাহৰণসহ আলোচনা কৰা।

(খ) অসমৰ যি কোনো এটা নৃগোষ্ঠীয় উপভাষাৰ পৰিচয় দিয়া।





(গ) প্ৰাচীন অসমীয়া সাহিত্যত কোনটো অঞ্চলৰ উপভাষাই প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল, আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাৰ উজনিৰ উপভাষাৰ ঔপভাষিক ক্ষেত্ৰৰ বিষয়ে চমুকৈ লিখা।

(ঙ) 'হাঁহিচম্পা' গল্পটোৰ ভাষাত কোনটো অঞ্চলৰ উপভাষাৰ প্ৰভাৱ পৰিছে, আলোচনা কৰা।

(চ) 'সহযাত্ৰী' গল্পত প্ৰতিফলিত উপভাষাগত বৈশিষ্ট্যসমূহ উল্লেখ কৰি উপভাষাটো বিচাৰ কৰা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) উপভাষা সৃষ্টিৰ কাৰকসমূহৰ বিষয়ে আলোচনা কৰা।

(খ) ভাষা, ব্যক্তিভাষা আৰু উপভাষাৰ মাজত কেনেধৰণৰ সম্পৰ্ক আছে, আলোচনা কৰা।

(গ) "এসময়ৰ উপভাষা অন্য সময়ত মান্যভাষা হ'ব পাৰে"—অসমীয়া ভাষাৰ উপভাষাৰ সহায়ত উক্ত কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(ঘ) উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(ঙ) সৃজনীশীল সাহিত্য সৃষ্টিত উপভাষাৰ গুৰুত্ব কেনে, আলোচনা কৰা।

(চ) গোৱালপৰীয়া উপভাষা আৰু মান্য অসমীয়া ভাষাৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ উদাহৰণসহ লিখা।